# উন্নত পদ্ধতিৰে পিয়াঁজৰ খেতি

পিয়াঁজ এবিধ ব্যৱসায়িকভাৱে গুৰুত্বপূৰ্ণ মছলা জাতীয় শস্য। আমাৰ দৈনন্দিন জীৱনত পিয়াঁজৰ স্থান ইমানেই ওপৰত যে পিয়াঁজ নোহোৱাকৈ আমি এসাজো চলিব নোৱাৰো। যথেষ্ট পৰিমাণৰ প্ৰোটিন, খনিজ লৱন আৰু ভিটামিন 'চি'ৰে সমৃদ্ধ হোৱাৰ উপৰিও অনেক ঔষধি গুণেৰে ভৰপূৰ পিয়াঁজক মছলা আৰু পাচলি দুয়ো ধৰণেই ব্যৱহাৰ কৰা হয়। বজাৰত সকলো সময়তে উচ্চদামত বিক্ৰী হৈ থকা পিয়াঁজৰ খেতিৰ বাবে অসমৰ মাটি আৰু জলবায়ু দুয়োটাই অতিকৈ উপযোগী। তথাপিও আমাৰ কৃষকে ৰাইজে এই খেতি কৰি ব্যৱসায়িক দিশত লাভান্বিত হোৱাৰ বাবে আগবাঢ়ি অহা এতিয়াও দেখা পোৱা নাযায়। তাৰ ফলস্বৰূপে, মাজে মাজে দুষ্প্ৰাপ্য লৈ পৰি বজাৰত অত্যাধিক মূল্যত পিয়াঁজ বিক্ৰী হোৱা দেখা যায়। পিয়াঁজ খেতিৰ বিজ্ঞানসন্মত দিশবিলাক এই আলোচনাত ডাঙি ধৰা হ'ল।

**মাটি ঃ**

বালিচঁহীয়া বা পলসুৱা মাটি পিয়াঁজ খেতিৰ বাবে উপযোগী, লগতে মাটিডৰা ৰ'দঘাই, ওখ আৰু পানী জমা নোহোৱা হ'ব লাগে। মাটিত যথেষ্ট পৰিমাণে জৈৱিক পদাৰ্থ থকাটো প্ৰয়োজন।

**সঁচ ঃ**

পিয়াঁজৰ উন্নত সঁচবোৰ হৈছে - পুচা ৰেড, পুচা ৰত্নাৰ, পুচা হোৱাইট (ঘূৰণীয়া), পুচা হোৱাইট (চেপেটা), অৰ্কা নিকেটন, অৰ্কা কল্যাণ, এগ্ৰিফাইণ্ড লাইট ৰেড, পুচা মাধুৰী, এন-৫৩, পঞ্জাৱ ৰেড ৰাউণ্ড ইত্যাদি। এইবোৰৰ উপৰিও অসমীয়া পিয়াজ নামৰ এবিধ থলুৱা সঁচ আছে। এই সকলোবোৰ সঁচৰ ভিতৰত অৰ্কা কল্যাণ, অৰ্কা নিকেটন আৰু এগ্ৰি ফাইণ্ড লাইট ৰেড নামৰ সঁচ তিনিটা বাকী সঁচতকৈ ১৫-২০ দিন আগতে পূৰঠ হয় আৰু আমাৰ জলবায়ুৰ কাৰণে বেচি উপযুক্ত। কাৰণ মাৰ্চ মাহত বৰষুণ হোৱাৰ আগতেই এই তিনিটা সঁচ পথাৰৰ পৰা চপাব পাৰি।

**বীজৰ পৰিমান ঃ**

পুলি ৰুই খেতি কৰিবৰ কাৰণে বিঘাই প্ৰতি ডেৰ কিলোগ্ৰাম বীজ লাগে। আনহাতে পথাৰত পোনে পোনে বীজ সিঁচি খেতি কৰিবলৈ হ'লে বিঘাই প্ৰতি ৩-৩.৫ কিলোগ্ৰাম বীজৰ প্ৰয়োজন হয়।

বীজ সিঁচাৰ উপযুক্ত সময় হৈছে চেপ্তেম্বৰ-অক্টোবৰ।

**বীজ শোধন আৰু পুলি প্ৰস্তুত ঃ**

অধিক উৎপাদনৰ বাবে উন্নত জাতৰ বীজ সংগ্ৰহ কৰি ভালদৰে শোধন কৰি ল'ব লাগে। শোধন কৰাৰ আগতে বীজখিনি এৰাতি পানীত তিয়াই থৈ পিচত ছাঁত শুকুৱাই ল'ব লাগে। এক কিলোগ্ৰাম বীজত তিনি গ্ৰাম ঔষধ - এইটো হিচাবত বেভিষ্টিন বা কেপটান নামৰ ঔষধ সিঁচাৰ আগতে বীজৰ লগত মিহলাই লব লাগে। এনে কৰিলে বীজৰ পৰা হোৱা বেমাৰৰ পৰা শস্যডৰা ৰক্ষা পৰিব।

শোধন কৰাৰ পিচত বীজতলিত শাৰী শাৰীকৈ সিঁচিব লাগে। সিঁচাৰ পিচত বীজতলি খন পলিথিন বা কলপাতেৰে ৬-৭ দিনমান ঢাকি ৰাখিব লাগে। আৱশ্যক মতে পানী দি থাকিব লাগে। বীজৰ গজালি ওলোৱাৰ পিচত ওপৰৰ ঢাকনিবোৰ আঁতৰাই দিব লাগে। ডাঙৰ বৰষুণ আৰু দুপৰীয়া চোকা ৰ'দৰ পৰা পুলিবোৰ বচাই ৰাখিবৰ কাৰণে বীজতলিৰ ওপৰত অস্থায়ীভাৱে এখন খেৰৰ চালি দিব লাগে, যাতে ৰাতিপুৱা আৰু আবেলিহে মাত্ৰ বীজতলিত ৰ'দ পৰে। বীজ সিঁচাৰ আগতে বীজতলিৰ মাটিখিনি শোধন কৰি লোৱা ৰাতিপুৱা পুলিবিলাক গুৰি পঁচা বেমাৰৰ পৰা ৰক্ষা পৰে। তাৰ কাৰণে

বীজতলি খন ৪ শতাং শক্তিৰ ফৰমেলিনৰ মিশ্ৰণ নাইবা ০.১ শতাংশ শক্তিৰ কেপটান নামৰ ঔষধৰ মিশ্ৰণেৰে ভালকৈ তিয়াই দুদিন ঢাকি ৰাখিব লাগে আৰু পিচত কোৰ মাৰি তলিখন শুকুৱাই লৈহে বীজ সিচিব লাগে। বীজ সিঁচাৰ আগতে মাটিখিনি শোধন কৰা নহ'লে পুলি গজি উঠাৰ পিচতে বীজতলিত ০.২ শতাংশ শক্তিৰ (এচামুদ দৰৰ আঢ়ৈ লিটাৰ পানীৰ মিহলাই) বেভিষ্টিন বা ইন্দোফিল এম-৪৫ নামৰ দৰৰৰ মিশ্ৰণ ছটিয়াব লাগে।

**পুলি ৰোৱা পদ্ধতি ঃ**

বীজতলিত পুলিৰ বয়স ৪৫-৫০ দিন হোৱাৰ পিছত মূল পথাৰত ৰোৱাৰ বাবে উপযোগী হয়। ৰুবৰ বাবে স্বাস্থ্যবান পুলিবোৰ বাছনি কৰি লৈ পথাৰত শাৰী শাৰীকৈ ৰুব লাগে। দুটা শাৰীৰ মাজত ব্যৱধান ৰাখিব লাগে ২০ ছেন্টিমিটাৰ আৰু প্ৰতিটো শাৰীত পুলিৰ মাজৰ ব্যৱধান হ'ব লাগে ১০ ছেন্টিমিটাৰ। পথাৰত নিয়মীয়া পানী যোগানৰ যদি ব্যৱস্থা থাকে, তেতিয়াহ'লে মাটি বোকা কৰিও পিয়াঁজৰ পুলিবোৰ ৰুব পাৰি। বোকা নকৰাকৈ খেতি কৰিলে পুলিবোৰ ৰোৱাৰ লগে লগেই পানীৰ যোগান ধৰিব লাগে।

আনহাতে পোনে পোনে বী সিঁচি কৰা পদ্ধতিত একেধৰণ ২০ ছেন্টিমিটাৰ আঁতৰে আঁতৰে শাৰীত বীজ সিঁচিব লাগে। বীজ গজি উঠাৰ ৪৫-৫০ দিনৰ পিচত প্ৰতিটো শাৰীৰ পুলিবিলাক ছেন্টিমিটাৰ ব্যৱধানলৈ পাতলাই দিব লাগে। সাধাৰণতে নদী কাষৰীয়া মাটি বা ‘চৰ’ অঞ্চল বিলাকতহে বীজ সিঁচিখেতি কৰা অধিক সুবিধাজনক।

**সাৰৰ পৰিমাণ আৰু প্ৰয়োগ পদ্ধতি ঃ**

খেতি কৰিবলগীয়া পথাৰখন ভালদৰে কেইবাবাৰো চাহ কৰি মৈয়াই ল'ব লাগে। এবিঘা মাটিৰ বাবে সাৰৰ পৰিমাণ হ'ল - পচন সাৰ-২৫ কুইন্টল, ইউৰিয়া-১৬ কিলোগ্ৰাম, একক চুপাৰ ফচফেট-৪০ কিলোগ্ৰাম আৰু মিউৰেট অৱ পটাছ সাৰ ১০ কিলোগ্ৰাম। ইউৰিয়া সাৰৰ ১০ কিলোগ্ৰাম আৰু বাকীবোৰ সাৰৰ গোটেইখিনি একেলগ কৰি শেষৰ বাৰ হাল বোৱাৰ আগতে মাটিত সমানভাৱে প্ৰয়োগ কৰি মৈয়াই ল'ব লাগে। বোকা কৰি ৰোৱা পদ্ধতিত উক্ত পৰিমাণৰ সাৰখিনি বোকা কৰাৰ সময়ত মাটিত প্ৰয়োগ কৰি ল'ব লাগে। বাকী থকা ৬ কিলোগ্ৰাম ইউৰিয়াৰ ৩ কিলোগ্ৰাম ১০০ লিটাৰ পানীত মিহলাই পুলি ৰোৱাৰ ৪০ দিনৰ পিচত গছৰ পাতত ছটিয়াব লাগে আৰু বাকী ৩ কিলোগ্ৰাম ইউইৰয়া পুণৰ ১০০ লিটাৰ পানীত গুলি ৰোৱাৰ দিন পিচত গছৰ পাতত ছটিয়াই দিব লাগে।

**পিয়াঁজ খেতিৰ পৰিচৰ্য্যা ঃ**

পিয়াঁজৰ পুলি পথাৰত ৰোৱাৰ পিচত ধন ধৰি উঠালৈকে প্ৰতিদিনে এবাৰ পানী দিব লাগে। ভাল উৎপাদন পাবৰ কাৰণে পিয়াঁজ খেতিত পানী যোগান ধৰাটো অতি আৱশ্যক। সেয়েহে প্ৰতি ৭-১০ দিন অন্তৰে অন্তৰে মুঠ ১২-১৫ বাৰ পানী যোগান ধৰিব লাগে। পিয়াঁজৰ মাটিৰ তলৰ খাদ্যাংশ (বাল্ব) ডাঙৰ হ'বলৈ ধৰাৰ সময়ত পানী যোগান ধৰাটো অতি জৰুৰী, কিন্তু তাৰ পিচত অৱস্থাত অৰ্থাৎ খেতি চপোৱাৰ এমাহ আগৰ পৰা পানী দিয়াটো কমাই আনিব লাগে আৰু ১৫ দিন মান থকাৰ পৰা পানী যোগান সম্পূৰ্ণৰূপে বন্ধ কৰিব লাগে।

পিয়াঁজৰ খেতিডৰা যিমান পাৰি বনৰীয়া ঘাঁহ বনৰ কবলৰপৰা মুক্ত কৰি ৰাখিব লাগে। পুলি ৰোৱাৰ ৩০-৪০ দিন পিচত শস্যডৰাত গজি উঠা অলাগতীয়াল বন-বাতবোৰ নিৰাই দিব লাগে আৰু পুলিৰ গুৰিবোৰ খুচৰি দিব লাগে। তাৰ পিচত প্ৰয়োজন অনুসৰি সময়ে সময়ে নিৰনি কৰি থাকিব লাগে। বহল ভিত্তিত খেতি কৰিলে নিয়মিতভাৱে নিৰনি কৰাৰ লগতে দুটা শাৰীৰ মাজৰ ঠাইখিনি এখন সৰু কোৰেৰে পাতলীয়াকৈ কোৰ মাৰি মাটিখিনি ভুৰভুৰীয়া কৰি ৰাখিব লাগে। মূল পথাৰত বীজ সিঁচি কৰা খেতিত সঘনাই ঘাঁহ বনবোৰ নিৰনি কৰি থাকিব লাগে আৰু গছৰ গুৰিবোৰ পৰাপক্ষত খুচৰি থাকিব লাগে।

**শস্যৰক্ষা ঃ**

অন্যান্য শীতকালিন শাক-পাচলিবোৰৰ তুলনাত পিয়াঁজত পোক আৰু বেমাৰৰ আক্ৰমণ যথেষ্ট কম। অনিষ্টকাৰী পোকৰ ভিতৰত প্ৰধান হ'ল থ্ৰিপ্‌চ (Thrips), যিয়ে কুমলীয়া পাতৰ ৰস শুহি খোৱাৰ ফলত পাতবোৰ শুকাই যায়। এইবিধ পোক নিয়ন্ত্ৰণৰ বাবে ০.২ শতাংশ শক্তিৰ মালাথিয়ন ৫০ ইচি নামৰ ঔষধৰ মিশ্ৰণ (এচামুচ ঔষধ আঢ়ৈ লিটৰ পানীত মিহলাই) গছৰ পাতত ছটিয়াব লাগে।

বেমাৰৰ ভিতৰত প্ৰধান হ'ল 'পাৰ্পুল ব্লটচ্' (Purple Blotch) অৰ্থাৎ বেঙুনীয়া দাগ পৰা বেমাৰ। এবিধ ভেকুঁৰে আক্ৰমণ কৰাৰ কাৰণে সৃষ্টি হোৱা এই বেমাৰৰ ফলত পাতত বগা বগা দাগ পৰে; আৰু বগা দাগবোৰৰ মাজত সৰু সৰু বেঙুনীয়া ৰঙৰ দাগ দেখা যায়। এইবেমাৰৰ দ্বাৰা বেচিকৈ আক্ৰান্ত হ'লে শেষত গছবোৰ শুকাই মৰি যায়। এইবেমাৰ নিৰাময় কৰিবলৈ হ'লে এচামুচ ইন্দোফিল এম-৪৫ নামৰ দৰৱ দুই লিটাৰ পানীৰ হিচাবত মিহলাই পাতত স্প্ৰে কৰিব লাগে। প্ৰয়োজন হ'লে ৩-৪ দিনৰ অন্তৰে অন্তৰে আকৌ দুবাৰ স্প্ৰে কৰিব লাগে। কেতিয়াবা আকৌ দেখা যায় এবিধ ভেকুঁৰৰ আক্ৰমণৰ ফলত পুলিৰ গুৰি অংশ পচি যায় আৰু শেষত গোটেই খেতিডৰাই মৃত্যুমুখত পৰে। ইয়াৰ প্ৰতিকাৰৰ বাবে ০.২৫ শতাংশৰ ইন্দোফিল এম-৪৫ ঔষধৰ মিশ্ৰণ পুলিৰ গুৰিত ঢালিব লাগে। আৰু তেনে অৱস্থাত পানী যোগান বন্ধ ৰাখিব লাগে।

**শস্য চপোৱা ঃ** পুলিৰোৱাৰ পৰা পিয়াঁজ পূৰঠ হোৱাকৈকে প্ৰায় চাৰে তিনিৰ পৰা চাৰিমাহ সময় লাগে। গতিকে পুলিৰোৱাৰ ৩-৪ মাহৰ পিচত শস্যডৰাত শতকৰা ৭০ ভাগ গছ যেতিয়া শুকাই মৰহি যাবলৈ ধৰিব তেতিয়াই খেতিডৰা চপাব পৰা হয়। বৰষুণৰ বতৰত খেতি চপাব নালাগে। পিয়াঁজ উঠোৱাৰ ১৫-২০ দিনৰ আগতে প্ৰতিজোপা গছৰ গুৰিতো হাতেৰে মোহাৰি গছজোপা বেঁকা কৰি দিব লাগে যাতে পিয়াঁজৰ গোটবিলাক ভালদৰে শুকাবলৈ ৰ'দ পায়। শস্যকালচোৱাত কেতিয়াবা গছৰ মাজৰ নলটো বাঢ়ি আহি ফুল ওলাব খোজে, তেনেকুৱা হ'লে নলাবোৰ ভাঙি দিব লাগে। পিয়াঁজবোৰ মাটিৰ পৰা উঠোৱাৰ পিচত পথাৰতে মুকলিকৈ দুদিন মানৰ কাৰণে মেলি থ'ব লাগে। তাৰপিচত ভাল আকাৰৰ, স্বাস্থ্যবান আৰু পাতল বা মিহি ঠাৰিৰ পিয়াঁজবিলাক ঘাঁলগা, সৰু আৰু ডাঠ বা শকত ঠাৰিৰ পিয়াঁজৰ পৰা পৃথক কৰি বাচি পেলাব লাগে। পিয়াজঁৰ গছবোৰ জোকাৰি জোকাৰি লাগি থকা মাটিবোৰ ভালদৰে চাফা কৰিব লাগে আৰু পিচত পিয়াঁজটোৰ পৰা ৪-৫ ইঞ্চিমান ওপৰত গছবোৰ কাটি পেলাব লাগে। তাৰ পিচত এদিন বা দুদিন পিয়াঁজবোৰ ৰ'দত শুকুৱাই ল'ব লাগে। দীঘলীয়া সময়ৰ কাৰণে সাঁচি ৰাখিবৰ বাবে পকা মজিয়াত ২ ইঞ্চি ডাঠকৈ শুকান বালিৰ তৰপ এটা বনাই তাৰ ওপৰত পিয়াঁজবিলাক এতৰপীয়াকৈ মেলি থ'ব লাগে।

এনেধৰণে বিজ্ঞানসন্মত পদ্ধতিৰে খেতি কৰি এবিঘা মাটিৰ পৰা ২৫-৩০ কুইন্টল পৰ্য্যন্ত পিয়াঁজৰ উৎপাদন পাব পাৰি।

*****

**(উৎস ঃ আঞ্চলিক কৃষি গৱেষণা কেন্দ্ৰ, লক্ষীমপুৰ বিজ্ঞান সমিতি, লক্ষীমপুৰ - ৭৮৭০৩১)**